# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-SEP-2025
**Time :** 1800 HRS

# *Assamese Evening Bulletin*

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ঢেকীয়াজুলিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ৩১ হাজাৰ ২২৪ গৰাকী সদস্যাক চেক বিতৰণ কৰে। ইয়াৰে ২৯ হাজাৰ ৫২৩ গৰাকী গ্ৰামাঞ্চলৰ আৰু এহেজাৰ ৭০১ গৰাকী নগৰাঞ্চলৰ আত্মসহায়ক গোটৰ সদস্যা। এই উপলক্ষে ঢেকীয়াজুলি চাহ বাগিচা খেলপথাৰত আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয়, যে এই আঁচনিয়ে মহিলাসকলৰ মাজত নতুন কৰ্মস্পৃহা জগাই তুলি তেওঁলোকৰ আত্মনিৰ্ভৰশীলতাৰ বাট মুকলি কৰিব। তেওঁ কয়, যে ৰাজ্যত বৰ্তমান ৪ লাখ আত্মসহায়ক গোট আছে আৰু এই গোটসমূহৰ সৈতে ৪০ লাখ মহিলা জড়িত হৈ আছে। তেওঁ লগতে কয়, যে ইয়াৰে ৮ লাখ ৫০ হাজাৰ মহিলাই বছৰত এক লাখ টকাকৈ উপাৰ্জন কৰে। ছোৱালী আৰু মহিলাৰ উন্নয়ন আৰু নিৰাপত্তাৰ বাবে বিগত ৪ বছৰত ৰাজ্য চৰকাৰে নিৰন্তৰ কাম কৰি আছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে মুখ্যমন্ত্ৰী হিচাপে তেওঁৰ কাৰ্যকালত বাল্য বিবাহ ৰোধ কৰাৰ প্ৰচেষ্টাকে ধৰি নিযুত মইনাৰ দৰে বহু আঁচনি গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয়, যে অহা ১৭ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ দিনা অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত মহিলাসকলক মাহিলী এহেজাৰ ২৫০ টকাকৈ প্ৰদান কৰা হ'ব। অৰুণোদয় পৰিয়ালে ৰন্ধন গেছৰ চিলিণ্ডাৰ ক্ৰয়ৰ বাবে চৰকাৰৰ পৰা ২৫০ টকাকৈ ৰাজ সাহায্য পাব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ড০ শৰ্মাই আজি শোণিতপুৰ জিলাৰ ৰঙাপৰাৰ শিঙৰিজানৰ দুৰুং চাহ বাগিচাত অক্ষয় পাত্ৰ ফাউণ্ডেচনৰ কেন্দ্ৰীয় সামূহিক ৰান্ধনী ঘৰৰ আধাৰশিলা স্থাপন কৰে। ২৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই সামূহিক ৰান্ধনী ঘৰৰ আধাৰশিলা স্থাপন অনুষ্ঠানত ৰঙাপৰাৰ বিধায়ক কৃষ্ণ কমল তাঁতী আৰু অক্ষয় পাত্ৰ ফাউণ্ডেচনৰ অধ্যক্ষ জনাৰ্ধনা দাস উপস্থিত থাকে। এই কেন্দ্ৰীয় সামূহিক ৰান্ধনী ঘৰৰ জৰিয়তে প্ৰধানমন্ত্ৰী পোষণ অভিযানৰ অধীনত সমগ্ৰ শিক্ষা অভিযানৰ জৰিয়তে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ গুণগত আৰু স্বাস্থ্যসন্মত দুপৰীয়াৰ আহাৰৰ যোগান, শিশুৰ পুষ্টিহীনতা নিৰ্মূলৰ উপৰি নিয়োগৰ সুযোগ সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে জল-জীৱন আঁচনিৰ পৰীক্ষা কৰি আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। শোণিতপুৰত আজি জল-জীৱন আঁচনিৰ ঠিকাদাৰৰ আন্দোলন সন্দৰ্ভত সাংবাদিকৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ কয়, যে যিসমূহ আঁচনিৰ কাম ভালদৰে হৈছে, তাৰ পুঁজি কেন্দ্ৰীয় চৰকাৰে মুকলি কৰি দিব। কাম নহ'লে পুঁজি লাভ কৰাত অসুবিধা হ'ব বুলি ড০ শৰ্মাই মন্তব্য কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে তৃতীয় পক্ষৰ দ্বাৰা আঁচনিসমূহৰ মূল্যায়ণ কৰি আছে।

০০০০০

ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি পূৰ্বোত্তৰ প্ৰাদেশীয় মাৰোৱাৰী যুৱ মঞ্চৰ উদ্যোগত ডিব্ৰুগড় জিলাত অহা ৭ ছেপ্তেম্বৰত চাইক্ল'থনৰ আয়োজন কৰা হৈছে। প্ৰদূষণমুক্ত সেউজ পৰিৱেশ গঢ়ি তোলাৰ লগতে চাইকেল চলোৱাৰ প্ৰতি জনসাধাৰণক আগ্ৰহী কৰি তোলাৰ লক্ষ্যৰে চাইক্ল'থনৰ আয়োজন কৰা হৈছে। এই

কাৰ্যসূচীত ড০ ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উপ-সভানেত্ৰী, শিল্পী মনিষা হাজৰিকাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০

কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থাৰ উদ্যোগত আৰু মৰিগাঁও জিলা কৃষি বিভাগৰ সহযোগত জিলাখনত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে কৃষক-বিজ্ঞানী মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কৃষি আৰু ইয়াৰ আনুষংগিক বিষয়সমূহত কৃষকসকলক সজাগ কৰা আৰু তেওঁলোকক কাৰিকৰী প্ৰশিক্ষণ আগবঢ়োৱাৰ উপৰি বিভিন্ন আঁচনিৰ সুবিধাসমূহৰ বিষয়ে অৱগত কৰাৰ উদ্দেশ্যে এই মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জিলা কৃষি বিষয়া তপন কুমাৰ ব্ৰহ্মাই উদ্বোধন কৰা এই অনুষ্ঠানৰ আজি প্ৰথম দিনা শালিধানৰ খেতিত কীট-পতংগ, শূঁৰপোকৰ উপদ্ৰৱৰ পৰা ৰক্ষা পোৱাৰ উপায়, বৈজ্ঞানিকভাৱে হাঁহ পালন আদি বিভিন্ন বিষয় আলোচনা কৰা হয়।

০০০০০

ৰাজ্যৰ ছখন মহাবিদ্যালয়ে ৰাষ্ট্ৰীয় মূল্যায়ণ আৰু প্ৰত্যায়ন পৰিষদ নাকৰ এ গ্ৰেড লাভ কৰিছে। ইয়াৰ ভিতৰত পাণ্ডু মহাবিদ্যালয়, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, মঙলদৈ মহাবিদ্যালয়, মৰিগাঁও মহাবিদ্যালয়, গড়গাঁও মহাবিদ্যালয় আৰু দিছপুৰ মহাবিদ্যালয় আছে। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। মহাবিদ্যালয় কেইখনক অভিনন্দন জ্ঞাপন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই স্বীকৃতিয়ে শৈক্ষিক উৎকৰ্ষতা আৰু গুণগত শিক্ষাৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতা প্ৰতিফলিত কৰে।

০০০০০

সমাপ্ত